জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...শতিতম বছৰ, সংখ্যা ১৬৯ ● শুকুৰবাৰ ● ১৪ ফাগুন ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday February 27, 2026 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ...


## ...উপ-সঞ্চালকৰ ...াই ডিত গোচৰ

## ...ৰ বৰ্মনৰ দুৰ্নীতি ...ানমন্ত্ৰীলৈ পত্ৰ ...াব্লিক ৱৰ্কছৰ

...ফব্ৰুৱাৰী ঃ মীন বিভাগত উপ-সঞ্চালক ...বৰ্মন নামৰ বিষয়াগৰাকীৰ বিৰুদ্ধে চি ...গাচৰ আঁত ধৰি আজিল প্ৰধানমন্ত্ৰীৰ ... অসম পাব্লিক ৱৰ্কছৰ ৮ পিঠিলৈ

### কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰত ডাঃ ধ্ৰুৱজ্যোতি ভূঞা

# ইতিবাচক চিন্তাই মানসিক স্বাস্থ্য সুস্থ ৰাখে



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ২৬ ফেব্ৰুৱাৰী ঃ মানুহৰ ইতিবাচক চিন্তাই মানসিক স্বাস্থ্য সুস্থ আৰু সবল কৰি ৰখাত সহায় কৰে। নিজস্ববোধক আৰু সময়ক গুৰুত্ব প্ৰদান কৰিলেহে ইতিবাচক চিন্তাৰে মানুহে নিজকে আগুৱাই নিব পাৰিব। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ নৃতত্ত্ব বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয়খনৰ গৱেষণা আৰু ৮ পিঠিলৈ

আ... ব...

গুৱাহাটী... ব্যৱহাৰ... ইৰ দ্বাৰা... আৰু চি... পৰিষদ... সম্পাদ...

অভি...

জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ১৬৯ ● শুকুৰবাৰ ● ১৪ ফাগুন ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday February 27, 2026 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প...

বিকাশৰ প্ৰ...



জুবিন ...

চাহ...

...৬,২২৬ আশা কৰ্মী-ছু...
...মোন্নয়নৰ ঠিকাভিত্তিব...
...বৃদ্ধি ■ প্ৰয়াত ৰাজীৱ...
গুৱাহাটী ঃ ষ্টাফ ৰিপ...
...ণৰ শিল্পী জুবিন গাৰ্গ...

## ইতিবাচক চিন্তাই মানসিক স্বাস্থ্য সুস্থ...

*পাঁচ পিঠিৰ পৰা* উন্নয়ন কোষৰ সহযোগত অনুষ্ঠিত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ প্ৰথম দিনাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই আজি এইদৰে কয়। অধ্যাপক ড° ভাস্কৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰা আলোচনা-চক্ৰত ডাঃ ভূঞাই কয়— এজন ব্যক্তিৰ বিকাশ তিনিটা মূল উপাদানৰ ওপৰত নিৰ্ভৰশীল— জিনগত উত্তৰাধিকাৰিতা, পৰিৱেশ আৰু সামাজিক প্ৰভাৱ। এই তিনিওটাৰ গতিশীলতা আৰু পাৰস্পৰিক ক্ৰিয়াৰ ফলতেই এজন পূৰ্ণাংগ মানৱ ব্যক্তিত্ব গঢ় লৈ উঠে। 'Population Health and Well-Being in India with Special Reference to Northeast India (ISPHW-2026)' শীৰ্ষক আলোচনা-চক্ৰত আদৰণি ভাষণ দি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— উত্তৰ-পূব ভাৰতৰ জনজাতীয় সমাজত থকা প্ৰাকৃতিক ভেষজ চিকিৎসা আৰু জীৱনশৈলী কেৱল লোক-বিশ্বাস নহয়। ইয়াক আধুনিক বিজ্ঞানৰ সৈতে সংলগ্ন কৰিব পাৰিলে সমগ্ৰ মানৱ সমাজৰ বাবে ই বহনক্ষম স্বাস্থ্যৰ আৰ্হি হ'ব পাৰে। কানৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী ড° অৰুণ কুমাৰ দত্তৰ নামত উৎসৰ্গা কৰা আলোচনা-চক্ৰত ভাষণ দি কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান আমেৰিকাৰ চিনচিনাটি বিশ্ববিদ্যালয়ৰ এমেৰিটাছ অধ্যাপক ড° ৰঞ্জন ডেকাই একালত মহাবিদ্যালয়ত নৃতত্ত্ব বিভাগত অধ্যয়নৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে বৰ্তমান মহাবিদ্যালয়খনৰ উন্নতি দেখি অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ভূয়সী প্ৰশংসা কৰে। অধ্যাপিকা ড° সংক্ৰান্তি দেৱীয়ে আঁত ধৰা আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ উদ্বোধনী ভাষণ দি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়াই কয়— আমি প্ৰকৃতিক সংৰক্ষণ কৰাৰ এয়াই উপযুক্ত সময়। আলোচনা-চক্ৰৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰি উলিওৱা আলোচনা-চক্ৰৰ 'সাৰাংশ পুথি' উন্মোচন কৰে কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে। নৃতত্ত্ববিদ ড° ফৰিদা আহমেদ দাস, ড° সাৰ্থক সেনগুপ্তা আৰু ড° দীপাঞ্জনা দত্ত দাসে অংশগ্ৰহণ কৰা আলোচনা-চক্ৰৰ প্ৰথমখন আলোচনা-সত্ৰত ক্ৰমে এমেৰিটাছ অধ্যাপক ড° ৰঞ্জন ডেকা আৰু কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰূপ ৰতন বন্দোপাধ্যায়ে নিৰ্ধাৰিত বিষয়ত গৱেষণা-পত্ৰ পাঠ কৰে। উদ্বোধনী অনুষ্ঠানত নৃতত্ত্ববিদ ড° কল্যাণ বৰুৱা, মনোহাৰীদেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপজ্যোতি ভৰালী, মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীকৈ ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু গৱেষকে অংশগ্ৰহণ কৰে।

...পৰা আঁতৰাবলৈ হ'লে কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ আৰু বাওঁপন্থী শিবিৰ একেখন মঞ্চত উপনীত হ'ব লাগিবই বুলি বাৰম্বাৰ মতপোষণ কৰাৰ লগতে বিৰোধী শক্তিসমূহক ঐকমত্যত উপনীত হ'বলৈ আহ্বান জনাইছে যদিও কেতিয়াবা যদি কংগ্ৰেছ পক্ষ আৰু আন কেতিয়াবা ৰাইজৰ দলে আঁকোৰগোঁজ স্থিতি গ্ৰহণ কৰাত বিৰোধী ঐক্যৰ বিষয়টো এতিয়া নিসিজা কচুৰ দৰে হৈ পৰাহে দৃষ্টিগোচৰ হৈছে। যাৰ ফলত শাসকীয় বিজেপি আৰু মিত্ৰ দল উৎসাহিত হৈ পৰাৰ বিপৰীতে বিজেপি বিৰোধী শিবিৰ চূড়ান্ত হতাশ হৈ পৰা পৰিলক্ষিত হৈছে। লক্ষণীয়ভাৱে বিজেপিক শাসনৰ পৰা আঁতৰাবৰ বাবে যি সময়ত কংগ্ৰেছ, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদকে ধৰি বিৰোধী শিবিৰে কৌশলপূৰ্ণ ৰণনীতি গ্ৰহণ কৰি ৰাইজৰ মাজলৈ যোৱাৰ প্ৰয়োজনীয়তা আছিল, সেই সময়ত বিৰোধী দলসমূহৰ মাজৰ খোৱা কামোৰাই বিৰোধী শিবিৰে যে এতিয়াও ধাৰাবাহিক পৰাজয়ৰ পৰা কোনো শিক্ষা গ্ৰহণ কৰা নাই, সেয়া স্পষ্ট কৰি তুলিছে। সাংসদ তথা প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ লগতে অখিল গগৈৰ আঁকোৰগোঁজ মনোভাৱ তথা বহুবল্কিতাৰ বাবেই যে মিত্ৰতাত চেঁচা পানী পৰিব, সেয়া একপ্ৰকাৰ নিশ্চিত হৈ পৰাৰ লগতে বিজেপি বিৰোধী শিবিৰৰ যে অহা নিৰ্বাচনতো পুনৰ কঁকাল ভাগিব, সেয়া ক্ৰমাৎ স্পষ্ট হৈ পৰিছে। বিৰোধী শিবিৰৰ মাজত সৃষ্ট...